**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 20-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**-----------------------------**

***Headlines***

১। সাংবিধানিক পৰম্পৰা আৰু ভাষিক বৈচিত্ৰ্যৰে দিছপুৰত ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আৰম্ভ।

২। নলবাৰী জিলাৰ টিহুৰ পৰা মাধপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ ৫ কিলোমিটাৰ অংশত জৰুৰীকালীন বিমান অৱতৰণৰ পৰিকল্পনা।

৩। আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস। ৰাজ্যৰ বিভিন্ন স্থানত দিৱস উপলক্ষে ভালেমান কাৰ্যসূচীৰ আয়োজন।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০০০০

সাংবিধানিক পৰম্পৰা আৰু ভাষিক বৈচিত্ৰ্যৰে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজিৰে পৰা দিছপুৰত অনুষ্ঠিত হৈছে। বন্দে মাতৰম, ৰাষ্ট্ৰীয় সংগীত আৰু অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়। ইয়াৰ পাছতে অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে অধ্যক্ষৰ আসন গ্ৰহণ কৰি নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে শপত গ্ৰহণ কৰে।

বাইট

ইয়াৰ পাছতে মন্ত্ৰী ৰামেশ্বৰ তেলী, অতুল বৰা আৰু অজন্তা নেওগে শপত লয়। বিধানসভাৰ অস্থায়ী অধ্যক্ষই বিধায়কসকলৰ ইচ্ছানুসাৰে নিজৰ মাতৃভাষাত শপত ল'ব পাৰে বুলি অনুমতি দিয়ে। মন্ত্ৰী চৰণ বড়োৱে বড়ো ভাষাত আৰু বিশ্বজিৎ দৈমাৰীয়ে সংস্কৃতত শপত লয়। কাৰ্বি আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বিধায়ককেইগৰাকীকো নিজৰ মাতৃভাষাত শপত ল'বলৈ অনুমতি দিয়া হয়।

কিছু সময়ৰ পাছতে অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। অধ্যক্ষ পদৰ বাবে কেৱল শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ ৰণজিৎ কুমাৰ দাসে মনোনয়ন পত্ৰ দাখিল কৰাৰ পৰিপ্ৰেক্ষিতত শ্ৰী দাসে বিধানসভা অধ্যক্ষ হোৱাৰ সম্ভাৱনা আছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাইলৈ সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব। ২৫ মে'ত ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব। বিধানসভাত বিৰোধী দলপতি নিৰ্বাচন সন্দৰ্ভত এতিয়াও সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কয়,

যে এই সংক্ৰান্তত ৰাষ্ট্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰা হৈছে আৰু শীঘ্ৰেই আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পন্ন কৰি দলপতি বাছনি কৰা হ'ব।

০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই অসম ৰাজ্যিক তথ্য নীতি, ২০২৬-ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি গুৱাহাটীৰ লোকসেৱা ভৱনত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী অতুল বৰাই বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সদৰি কৰে। এই তথ্য নীতি অনুসৰি তথ্য ব্যৱস্থাপনা কেন্দ্ৰ নামেৰে সমন্বয়কাৰী সংস্থা গঠন কৰি বিশ্লেষণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ৰাজ্যজুৰি সংহত তথ্য ভঁৰাল গঢ়ি তোলা হ'ব। এই সন্দৰ্ভত সকলো বিভাগৰ বাবে নিয়মিত আৰু সুসংগঠিত তথ্যৰ ভাগ-বাটোৱাৰা বাধ্যতামূলক হ'ব। এই নীতিয়ে ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩-ৰ নীতি-নিৰ্দেশনা মানি কাম কৰাৰ লগতে ৰাজ্যিক তথ্য প্ৰশাসনৰ সুস্পষ্ট পৰিকাঠামো নিৰ্ধাৰণ কৰিব। কালি বৈঠকত যোড়শ অসম বিধানসভাৰ আজি প্ৰথম অধিৱেশনৰ বাবে ৰাজ্যপালৰ ভাষণৰ খচৰাত মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০০

নলবাৰী জিলাৰ টিহুৰ পৰা মাধপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ ৫ কিলোমিটাৰ অংশ জৰুৰীকালীন বিমান অৱতৰণৰ বাবে সাজু কৰি তোলা হ'ব। ৰাষ্ট্ৰিয় ঘাইপথ প্ৰাধিকৰণে নলবাৰী জিলা প্ৰশাসনলৈ এই সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰিছে। সুৰক্ষা আৰু দুৰ্যোগ ব্যৱস্থাপনাজনিত কাৰণত এই পদক্ষেপ লোৱাৰ কথা বিবেচনা কৰা হৈছে। প্ৰাধিকৰণে এই পথছোৱাৰ সমীপত বৃহৎ নিৰ্মাণকাৰ্য কৰাৰ পৰা বিৰত থাকিব পাৰিনে নাই সেই বিষয়ে চালি-জাৰি চাবলৈও পত্ৰখনত পৰামৰ্শ দিছে। জিলা প্ৰশাসনে এই বিষয়ে সমীক্ষা চলাই প্ৰতিবেদন সাজু কৰিব বুলি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কালি জিলা উন্নয়ন সমিতিৰ এখন সভাত প্ৰকাশ কৰে।

বাইট

০০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই মূল্য ব্যৱস্থা নিৰীক্ষণ আৰু বজাৰৰ সুস্থিৰতা সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ লগতে বজাৰ ব্যৱস্থাৰ সুস্থিৰতা ৰক্ষাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে দিয়া নিৰ্দেশ অনুসৰি এই বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত বিভিন্ন জিলাত খুচুৰা আৰু পাইকাৰী মূল্য, মজুত সামগ্ৰী, যোগান শৃংখলা, বিধি বলৱৎকাৰী বিভাগৰ প্ৰস্তুতি আৰু আন্তঃবিভাগীয় সমন্বয় সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্য সচিবগৰাকীয়ে ততালিকে জিলা পৰ্যায়ৰ কৰ্মবাহিনী সক্ৰিয় কৰি বজাৰত বিভিন্ন সামগ্ৰীৰ মূল্য যাতে অনিয়ন্ত্ৰিতভাৱে বৃদ্ধি হ'ব নোৱাৰে তাৰবাবে নিয়মীয়াকৈ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি জিলা, সমজিলা, ৰাজহচক্ৰ আৰু উন্নয়ন খণ্ড পৰ্যায়তো কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস। ৰাষ্ট্ৰসংঘৰ উদ্যোগত প্ৰতি বছৰে ২১ মে'ৰ দিনা এই দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে অসমৰ চাহ উদ্যোগে ইতিমধ্যে ২০০ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে। দেশৰ মুঠ চাহ উৎপাদনৰ ভিতৰত অসমৰ অংশ হৈছে ৫৪ শতাংশ। শেহতীয়াকৈ ক্ষুদ্ৰ চাহ উদ্যোগে অসমৰ অৰ্থনীতিলৈ প্ৰভূত

বৰঙণি আগবঢ়াইছে। উন্নত পদ্ধতিৰে চাহ খেতি কৰি এনে ক্ষুদ্ৰ খেতিয়কসকলে বজাৰত কেঁচা পাতৰ উচিত মূল্য পাবলৈ সমৰ্থ হৈছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত আজি এই দিৱস উপলক্ষে ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ উদ্যোগক উজ্জীৱিত কৰা প্ৰতিগৰাকী ব্যক্তিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে বিশ্বজুৰি সমাদৃত অসমৰ চাহত ৰাজ্যখনৰ মাটি, বৰষুণ, পৰিশ্ৰম আৰু ঐতিহ্যৰ সুবাস আছে। বিশ্ব চাহ মানচিত্ৰত অসম শক্তিশালী অংশ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সেউজীয়া চাহ বাগিচা, লাখ লাখ শ্ৰমিকৰ অক্লান্ত শ্ৰম আৰু দুটা শতিকাজোৰা ঐতিহ্যই অসমৰ চাহক বিশ্বজুৰি অনন্য স্বাদ আৰু সন্মান দিছে। মুখ্যমন্ত্ৰীয়ে এই দিৱস উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

ৰাজ্যত চলি থকা জন ভাগীদাৰী অভিযানৰ সৈতে সংগতি ৰাখি কালি উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰঙাচাহী গাঁও পঞ্চায়তত **জন ভাগীদাৰী, জন শুনানি গাঁও সভা** অনুষ্ঠিত হয়। ইয়াৰ লগতে জেংৰাইমুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত জেংৰাই চাপৰিত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰো আয়োজন কৰা হয়। শিবিৰত যক্ষ্মা ৰোগৰ স্ক্ৰিনিং আৰু বুকুৰ এক্সৰে কৰাৰ লগতে জনসাধাৰণৰ মাজত ছিকল চেল পৰীক্ষা সম্পন্ন কৰা হয়। ইয়াৰ লগতে হিতাধিকাৰীসকলৰ মাজত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ ই-কে ৱাই চি জেনেৰেট কৰাৰ ব্যৱস্থা কৰা হয়।

০০০০০০০০০০

কামৰূপ জিলাৰ শিঙিমাৰীত আৰক্ষীয়ে মাদকদ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে চলোৱা অভিযানত বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰাৰ লগতে তিনিজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে অভিযানকালত এখন বাহনো জব্দ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে হাজো-গুৱাহাটী পথেৰে গুৱাহাটীলৈ সৰবৰাহ কৰাৰ সময়তে হাজো আৰু দদৰা আৰক্ষীয়ে অভিযান চলাই শিঙিমাৰীত এখন এম্বুলেঞ্চত অনা অৱস্থাত নিচাযুক্ত দ্ৰব্যখিনি জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে লোককেইজনক জেৰা কৰি আছে।

০০০০০০০

চুবুৰীয়া ৰাজ্য মেঘালয়ত বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিস্তীৰ্ণ অঞ্চল গাৰো পাহাৰৰ পৰা নামি অহা পানীয়ে বুৰাই পেলাইছে। কুচ্‌নিমাৰাত চাৰি সহস্ৰাধিক কৃষকৰ খেতি পানীৰ তলত আছে। ফলস্বৰূপে কৃষকসকল বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। ক্ষতিগ্ৰস্ত কৃষকসকলক উপযুক্ত ক্ষতিপূৰণ দিবলৈ চৰকাৰ তথা কৃষি বিভাগৰ ওচৰত স্থানীয় ৰাইজে দাবী জনাইছে।

০০০০০০০

নাগালেণ্ডত আটক হোৱা আলফা স্বাধীনৰ স্বয়ম্ভু লেফটেনেণ্ট গজেন অসম ওৰফে সুমন বণিয়াক কালি বিশ্বনাথ জিলাৰ হেলেম আৰক্ষীয়ে শিৱসাগৰৰ পৰা আটক কৰে। হেলেম থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত লোকজনক আটক কৰি গহপুৰ মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাৰ পাছত দহ দিনৰ বাবে আৰক্ষীয়ে জিম্মাত লৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে যোৱা বছৰ নৱেম্বৰত বৰঙাবাৰীৰ এজন ব্যৱসায়ীৰ পৰা আলফা স্বাধীনৰ এই সদস্যজনে এক কোটি টকা দাবী কৰিছিল। যোৱা ২৪ এপ্ৰিলত আছাম

ৰাইফল্‌ছে নাগালেণ্ড সীমান্তত তেওঁক গ্ৰেপ্তাৰ কৰি চৰাইদেউ থানাত গতাই দিছিল। পৰৱৰ্তী সময়ত শিৱসাগৰ কাৰাগাৰত তেওঁ ৰখা হৈছিল।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

প্ৰতিযোগিতাত যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছে কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত বিজয়ী হোৱাৰ ফলত কলকাতা নাইট ৰাইডাৰ্ছে প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা সজীৱ কৰি ৰাখিবলৈ সক্ষম হৈছে।

০০০০০০০